জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তিতম বছৰ, সংখ্যা ২৫৬ ● মঙলবাৰ ● ১২ জেঠ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday May 27, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱ

থ গগৈ,তানিশা দত্তৰ
ইবাজনো কৃতী ছাত্ৰ-
লীয়াজান লেখিকা
নমিতিৰ তৰফৰ পৰা
পন কৰা হয়। অনুষ্ঠানত
চাপে উপস্থিত থাকে
লখিমী চুতীয়া গগৈ।

## ...ত আক্ৰান্ত ...ত্ৰীৰ মৃত্যু

ঃ নিজা প্ৰতিবেদক,
ম'ঃ বোকাখাত
নুমলীগড় উচ্চতৰ
বিদ্যালয়ৰ নৱম
ছাত্ৰী চান্দা বামুণ
ধনকেফেলাইটিছত
কেইবাদিনো ধৰি
ৰ্ট চিকিৎসা
ৰৰ চিকিৎসালয়ত

## কানৈ মহাবিদ্যালয়ত জিলা ভিত্তিক যোগাসন প্ৰতিযোগিতা

ডিব্ৰুগড ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৬ মে' ঃ 'যোগাসনে ভাৰতবৰ্ষক বিশ্বগুৰু ৰূপে পৰিচিত কৰিছে।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) যোগ আৰু ধ্যান কেন্দ্ৰ, সংস্কৃত বিভাগৰ উদ্যোগত ২৫ মে'ত অনুষ্ঠিত জিলা ভিত্তিক দ্বিতীয় যোগাসন প্ৰতিযোগিতাৰ উদ্বোধনী ভাষণ প্ৰদান কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। অধ্যক্ষ ড° শইকীয়াই কয়, শৰীৰ সুস্থ হৈ থাকিলেহে দেশ এখন সুস্থিৰ হ'ব, তাৰ বাবে যোগাসন হৈছে উত্তম পন্থা। তেওঁ কয় যে সমগ্ৰ বিশ্বত আজি যোগক লৈ যি জাগৰণৰ সৃষ্টি হৈছে, ভাৰতবৰ্ষৰ বাবে সেয়া বহু পুৰণি ইতিহাস। সমগ্ৰ বিশ্বত যোগাসনক প্ৰতিষ্ঠা কৰি ভাৰতবৰ্ষই ইতিমধ্যে বিশ্বগুৰু হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। অৱশ্যে উত্তৰ কোৰিয়া, ছোমালিয়া, দক্ষিণ আফ্ৰিকাৰ কেতবোৰ দেশত আজিও যোগাসন জনপ্ৰিয় হোৱা নাই। সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা কল্যাণী দাসে আঁত ধৰা আৰু অধ্যাপিকা ড° চয়নিকা গোস্বামীৰ মংগলাচৰণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে মহাবিদ্যালয়ৰ ছাত্ৰ সম্পৰ্কৰ সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকনে কয়, আজিৰ বস্তুবাদৰ যুগত মানুহৰ আধ্যাত্মিক উত্তৰণ ঘটাবলৈ যোগ উত্তম মাধ্যম। যোগে শৰীৰ, মন আৰু আত্মাৰ সমন্বয় সাধন কৰে। কানৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা বিনি শইকীয়া আৰু যোগ আৰু ধ্যান কেন্দ্ৰৰ শিক্ষয়িত্ৰী চয়নিকা গগৈৰ পৰিচালনাত বিভিন্ন শাখাত অনুষ্ঠিত প্ৰতিযোগিতাখনত ডিব্ৰুগড় জিলাৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ প্ৰায় ১৫০গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ শেষত বিজয়ীসকলৰ লগতে অংশগ্ৰহণকাৰী সকলো প্ৰতিযোগীকে একোখনকৈ মান-পত্ৰ প্ৰদান কৰা হয়।

